# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-02-2025
**Time :** 18-45 Hrs

**Assamese EVENING Bulletin**
**:::::::::::::::::::::::::::::::**

১। এডভাণ্টেজ আচামত ভাগ লোৱাৰ বাবে কাইলৈৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া অসম ভ্ৰমণ।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ নেতৃত্বত বিভিন্ন দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ এটা প্ৰতিনিধি দলৰ আজি অসম আগমন।

৩। এডভাণ্টেজ আচাম দ্বিতীয় সংস্কৰণৰ সময়ত বুজাবুজিৰ চুক্তি অনুমোদনকে ধৰি ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত।

৪। কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰতে সুকীয়া পৰিচয় গঢ়িবলৈ সমৰ্থ হৈছে বুলি আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ। ***আৰু***

৫। ডুবাইত অনুষ্ঠিত ছেম্পিয়নছ্ ট্ৰফী এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ খেলখনত পাকিস্তানৰ ভাৰতক জয়ৰ বাবে ২৪২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ভাগ লোৱাৰ বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ নেতৃত্বত বিভিন্ন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ এটা প্ৰতিনিধি দল আজি অসমলৈ আহিব। জাপান, দক্ষিণ কোৰিয়া, থাইলেণ্ড, ছিংগাপুৰ, অষ্ট্ৰেলিয়া, জাৰ্মানী, ইটালী, ভূটানকে ধৰি ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধি দলটো আজি বিশেষ বিমানেৰে যোৰহাটত উপস্থিত হৈ নিশাটো কাজিৰঙাতে কটাব। কাইলৈ দলটোৱে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত হাতী ছাফাৰী আৰু জীপ ছাফাৰী কৰিব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্মিলনৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে আজি মন্ত্ৰীসভাৰ বৈঠকত অংশ লোৱাৰ লগতে বিভিন্ন জিলাৰ আয়ুক্তৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলক সংশ্লিষ্ট জিলাসমূহত সন্মিলনৰ অংশ হিচাপে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰাত সহায় কৰিবলৈ আহ্বান জনায়। এই সন্মিলনৰ বাবে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাকে ধৰি সকলো দিশতে উপযুক্ত ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীয়ে বৈঠকত নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে, এই অনুষ্ঠানৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে অন্য জিলাৰ আৰক্ষী কৰ্মীক গুৱাহাটীলৈ অনা হৈছে আৰু জ্যেষ্ঠ বিষয়াসকলে অহৰ্নিশে কাম কৰি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেবিনেট মন্ত্ৰী, বিশিষ্ট উদ্যোগপতি আৰু ৰাষ্ট্ৰদূতসকলৰ ভ্ৰমণলৈ চাই অতিৰিক্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সন্মিলনস্থলীৰ

ভিতৰত আৰক্ষীৰ ইউনিফৰ্ম পৰিহিত কোনো কৰ্মী নাথাকে যদিও সুৰক্ষা কৰ্মীসকলে বাহিৰৰ পৰাই অনুমতিপ্ৰাপ্ত লোকৰ প্ৰৱেশ সুনিশ্চিত কৰিব। প্ৰতিনিধিসকলক ৰাষ্ট্ৰীয় ঘাইপথেৰে অনুষ্ঠান স্থলীলৈ অনা হ'ব যাতে গুৱাহাটীৰ ভিতৰত যান-বাহনৰ চলাচল বিশেষভাৱে প্ৰভাৱিত নহয়।

এই সন্মিলনত ভাগ লোৱাৰ বাবে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে ৰাজ্যখনত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰীয়ে ঝুমুৰ নৃত্যৰ অনুষ্ঠান উপভোগ কৰাৰ পাছত এডভাণ্টেজ আছাম সন্মিলনৰ দুখন প্ৰদৰ্শনী উদ্বোধন কৰিব। পৰহিলৈ শ্ৰীমোদীয়ে এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ মূল কাৰ্যসূচী শুভাৰম্ভ কৰিব। কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে এই অনুষ্ঠানৰ অংশ হিচাপে কমেও পাঁচখন গুৰুত্বপূৰ্ণ আলোচনা সত্ৰত অংশ লোৱাৰ কথা। এই সন্মিলনে ৰাজ্যখনত উন্নয়ন বৃদ্ধিৰ লগতে ঔদ্যোগিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত ইতিবাচক পৰিৱেশৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে।

০০০০

দিশপুৰত আজি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যৰ বিকাশ আৰু উন্নয়নৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকে এডভাণ্টেজ আচাম দ্বিতীয় সংস্কৰণৰ সময়ত বুজাবুজিৰ চুক্তি অনুমোদন, ৰাজ্যৰ  বস্ত্ৰ উদ্যোগৰ সৰলীকৰণ, চিকিৎসা বৃত্তিধাৰীৰ বাবে দি এ চি পি আঁচনি আদিকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্যত এক লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিবলৈ   বৈঠকত অনুমোদন জনোৱা হয়। বৈঠকৰ অন্তত অনুষ্ঠিত সংবাদমেলযোগে এই কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৪ টা পৰ্যায়ত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হ'ব। মন্ত্ৰীসভাৰ বৈঠকত মুঠ ২১৪ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিবলৈ অনুমোদন জনোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ আন্তগাথনি উন্নয়নৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত ৫৫ কোটি টকাৰ অনুমোদন জনোৱা হয়। ডিব্ৰুগড়ৰ আমোলাপট্টিৰ উৰণ সেঁতুৰ নিৰ্মাণৰ বাবে ১৫৭ কোটি টকা অনুমোদন জনোৱা হয় বুলি তেওঁ প্ৰকাশ কৰে।

ভইছ ঃ মামা

০০০০

গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী**ৰ অন্তিম আখৰা আজি অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেইবাগৰাকী মন্ত্ৰীয়ে আজিৰ অন্তিম আখৰাত উপস্থিত থাকে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰে অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদ্‌যাপনৰ উদ্দেশ্যে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৩৫০ গৰাকী অতিথিৰ উপস্থিতিত ঝুমইৰ বিনন্দিনী অনুষ্ঠান আয়োজিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰৰ নেতৃত্বত আজি আহিবলগীয়া বিভিন্ন দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ প্ৰতিনিধি দলে ঝুমুৰ নৃত্য উপভোগ কৰিব। ঝুমইৰ বিনন্দিনী অনুষ্ঠান ৮০০ খন চাহ বাগিছাত প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ বাবে চাহ বাগিছা কেইখনত এল ই ডি স্ক্ৰীনৰ ব্যৱস্থা কৰা হৈছে।

ভইচ কাষ্ট ঃ মুখ্যমন্ত্ৰী

০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম ৰেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০

কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনত ভাৰতৰ অগ্ৰগতিক বিশ্বই ভূয়সী প্ৰশংসা কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰে। কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰতে সুকীয়া পৰিচয় গঢ়িবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ জনসাধাৰণ নতুন প্ৰযুক্তি গ্ৰহণ আৰু ইয়াৰ ব্যৱহাৰৰ প্ৰতি সদায় আগ্ৰহী। পেৰিচত অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত অংশগ্ৰহণ কৰাৰ অভিজ্ঞতা ব্যক্ত কৰি প্ৰধানমন্ত্ৰীয়ে এই কথা উল্লেখ কৰে। কৃত্ৰিম বুদ্ধিমত্তা আৰু মহাকাশ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ বৰ্ধিত অংশগ্ৰহণে অভূতপূৰ্ব পৰিৱৰ্তনৰ সূচনা কৰিছে বুলি তেওঁ উল্লেখ কৰে। বিগত মাহটোত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোৱে ১০০ সংখ্যক ৰকেট উৎক্ষেপণ কৰা কাৰ্যত তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত ১০ বছৰত দেশে নিজৰ লগতে অন্য দেশৰো প্ৰায় ৪৬০টা উপগ্ৰহ প্ৰেৰণ কৰিবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাকাশ বিজ্ঞানীৰ দলত মহিলাৰ সংখ্যা বৃদ্ধি পোৱা বিষয়ত সন্তোষ প্ৰকাশ কৰে। বৰ্তমান মহাকাশ ক্ষেত্ৰখন যুৱ প্ৰজন্মৰ প্ৰিয় বিষয় হৈ পৰা কথাটোৱে শ্ৰীমোদীক আনন্দিত কৰা বুলিও তেওঁ উল্লেখ কৰে।

শ্ৰীমোদীয়ে এই অনুষ্ঠানত ৮ মাৰ্চৰ আন্তৰাষ্ট্ৰীয় নাৰী দিৱসৰ প্ৰসংগ উল্লেখ কৰি এই দিনটো নাৰী শক্তিক প্ৰণাম জনোৱাৰ এটা বিশেষ দিন বুলি মন্তব্য কৰে। ভাৰতীয় সংস্কৃতিত কন্যা সন্তানক সন্মান জনোৱাটো অন্যতম পৰম্পৰা বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে দেশৰ স্বাধীনতা আন্দোলনত মাতৃ শক্তিয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰাৰ লগতে সংবিধান প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো বৰঙণি আগবঢ়াইছে। তেওঁ সংবিধান সভাত ৰাষ্ট্ৰীয় পতাকা প্ৰস্তুত কৰা সময়ৰ হাংসা মেহতাৰ এটা শ্ৰব্য বাৰ্তাও প্ৰচাৰ কৰে।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানত উত্তৰাখণ্ডত হৈ যোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বিষয়েও উল্লেখ কৰি কয়, যে দেশৰ এঘাৰ হাজাৰতকৈও অধিক খেলুৱৈয়ে এই ক্ৰীড়া সমাৰোহত অপূৰ্ব ক্ৰীড়া শৈলী প্ৰদৰ্শন কৰিছিল। আজিৰ অনুষ্ঠানত শ্ৰীমোদীয়ে মেদবহুলতাৰ প্ৰসংগ উত্থাপন কৰি কয়, যে বিশ্ব স্বাস্থ্য সংস্থাৰ মতে ২০২২ চনৰ বছৰটোত বিশ্বৰ প্ৰায় ২৫০ কোটি লোক মেদবহুলতাৰ সমস্যাৰ সন্মুখীন হৈছে। তেওঁ মেদবহুলতা ৰোধ কৰিবলৈ খাদ্যাভাসত পৰিৱৰ্তন আনিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে বন্যপ্ৰাণী সংৰক্ষণৰ লগতে দেশৰ অনুকূল পৰিৱেশ তন্ত্ৰৰ বিষয়ে উল্লেখ কৰে। তেওঁ এই অনুষ্ঠানতে পৰীক্ষাৰ্থীসকলক মানসিক চাপ অবিহনে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানৰ এয়া আছিল ১১৯ সংখ্যক খণ্ড। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰে। আমাৰ কেন্দ্ৰই আজি নিশা ৮ বজাত এই অনুষ্ঠানটো পুনৰ প্ৰচাৰ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি নিশা ৮ বজাৰ মুখ্য বাতৰি প্ৰচাৰিত নহয়।

০০০০

ৰাজ্যখনৰ শিক্ষা বিভাগে চিনাক্ত কৰা ১৫ বছৰৰ ঊৰ্ধৰ ৭ লাখ ১২ হাজাৰ নিৰক্ষৰ লোকক সাক্ষৰ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ নতুন ভাৰত সাক্ষৰতা কাৰ্যসূচী, এন আই এল পিৰ অধীনত অভিযান চলি আছে। এই কাৰ্যসূচীৰ অধীনত ২০২২ বৰ্ষৰ পৰা ২০২৭ বৰ্ষলৈ ১৫ বছৰৰ ঊৰ্ধৰ দেশৰ নিৰক্ষৰ লোকসকলক সাক্ষৰ কৰাৰ বাবে এহেজাৰ ৩৭ কোটি টকা ধাৰ্য কৰা হৈছে। অসমত এই কাৰ্যসূচীৰ অধীনত ২০ কোটি টকা প্ৰথম পৰ্যায়ত মোকলাই দিয়া হৈছে। এইপৰ্যন্ত চৰকাৰৰ এই প্ৰয়াসৰ ফলস্বৰূপে ৰাজ্যখনত ১২ হাজাৰ ৯২৯ গৰাকী নিৰক্ষৰ লোকে শিক্ষা লাভ কৰিছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু দিব্যাংগ সকলৰ উপৰি শ্ৰমিক শ্ৰেণীৰ মহিলা আৰু কিশোৰীসকলক এই কাৰ্যসূচীৰ অধীনত শিক্ষাদানৰ বাবে অগ্ৰাধিকাৰ দিয়া হয়। ১৫ বছৰৰ পৰা ৩৫ বছৰৰ ভিতৰত এই নিৰক্ষৰ লোকসকলক শিক্ষাদানৰ বাবে ঠায়ে ঠায়ে প্ৰশিক্ষণ কাৰ্যসূচী, কৰ্মশালা আদিৰ আয়োজন তেওঁলোকক ভাষা আৰু সংখ্যাৰ জ্ঞান, বুনিয়াদী শিক্ষা আৰু বৃত্তিমুখী শিক্ষা দিয়া হয়। উল্লেখযোগ্য যে ২০১১ চনৰ পিয়ল অনুসৰি অসমত সাক্ষৰতাৰ হাৰ ৭২ দশমিক ১-৯ শতাংশৰ পৰা সম্প্ৰতি ৮৫ দশমিক ৯ শতাংশলৈ বৃদ্ধি পাইছে বুলি ৰাষ্ট্ৰীয় পৰিসংখ্যা কাৰ্যালয়ৰ তথ্যত প্ৰকাশ পাইছে।

০০০০

প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনাৰ অধীনত চলি থকা কাম-কাজসমূহৰ অসমে বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছে। ২০২৩-২৪ বৰ্ষত ৰাজ্যত ৪ দশমিক ৭৫ মিলিয়ন লাখ মেট্ৰিক টন মৎস্য উৎপাদিত হোৱাৰ তথ্য প্ৰকাশ হৈছে। এই সময়ছোৱাত ৰাজ্যতে ২০ হাজাৰ মিলিয়ন মাছৰ পোনা উৎপাদিত হয়। সদ্যহতে ৰাজ্যৰ পৰা বাৰ্ষিক ২০ হাজাৰ মেট্ৰিকটন মৎস্য চুবুৰীয়া ৰাজ্যসমূহলৈ প্ৰেৰণ কৰা হৈ আছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৭ বাজি ৪৫ মিনিটত ইয়াৰ সংবাদ চলন্তিকা অনুষ্ঠানত গুৱাহাটী মহানগৰীত জীৱন সংগ্ৰামৰ আন এটা খণ্ড প্ৰচাৰ কৰিব। তথাকথিত সৰু সৰু মানুহৰ জীৱন সংগ্ৰামৰ বিষয়ে শুনিবলৈ পাব। অনুষ্ঠানটোৰ প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

আকাশবাণী নগাঁও কেন্দ্ৰৰ আজি প্ৰতিষ্ঠা দিৱস উপলক্ষে জিলাখনৰ পুথিভঁৰাল প্ৰেক্ষাগৃহত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ভালেসংখ্যক শিল্পী, কলা-কুশলীয়ে অংশ লৈছে। মুখ্যমন্ত্ৰী ড০

হিমন্ত বিশ্ব শৰ্মাই আকাশবাণী নগাঁও কেন্দ্ৰৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে কেন্দ্ৰটোৰ বিষয়া, কৰ্মচাৰী তথা শ্ৰোতাসকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে এই কেন্দ্ৰটোৱে অবিভক্ত নগাঁও জিলাৰ সকলো অঞ্চলৰ লোকৰ বাবে সেৱা আগবঢ়াই আহিছে বুলি উল্লেখ কৰি কেন্দ্ৰটোৰ প্ৰতিষ্ঠাৰ আঁৰত থকা ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। আকাশবাণীৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালক প্ৰদান আশীষ ভাটনাগৰেও কেন্দ্ৰটোৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ইয়াৰ বিষয়ববীয়া আৰু শ্ৰোতাসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০

গোলাঘাট জিলাৰ বোকাখাতত অহা ২২ মাৰ্চৰ পৰা ২৬ মাৰ্চলৈ আয়োজিত বোকাখাত গ্ৰন্থমেলাৰ বাবে উদ্যোক্তাসকলে প্ৰস্তুতি চলাইছে। আজি বোকাখাত জাতীয় বিদ্যালয়ত গ্ৰন্থমেলাৰ শীৰ্ষ গীত মুকলি আৰু ইয়াৰ চূড়ান্ত কাৰ্যসূচী সম্পৰ্কে সংবাদমেলত  উদ্যোক্তাসকলে অৱগত কৰে। গ্ৰন্থমেলাৰ প্ৰতিটো দিনতে সাহিত্য সন্মিলন, শিল্প চিন্তন, নাট সমাৰোহ, বিজ্ঞানৰ দিন, কুইজ আৰু মইনামেল, সাহিত্যৰ আড্ডা, কবিতা আবৃত্তি আদি অনুষ্ঠিত হ'ব।

০০০০

যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ ১৯৬৫ৰ পৰা ৭৩ বৰ্ষৰ প্ৰাক্তন ছাত্ৰ গোটৰ উদ্যোগত আজি ৰংদৈ উচ্চ মাধ্যমিক বিদ্যালয়ত বিনামূলীয়া চিকিৎসা কাৰ্যসূচী সম্পন্ন হয়। গোটটোৰ কেইবাগৰাকীও চিকিৎসকে ১৫০ গৰাকীৰো অধিক ৰোগীৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰে। ৰোগীসকলক বিনামূলীয়াকৈ ঔষধো আগবঢ়োৱা হয়।

০০০০

৭০ সংখ্যক লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মধ্য মণ্ডলৰ খেলত মৰিগাঁৱৰ নৱজ্যোতি ক্লাৱ চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিছে। মৰিগাওঁত আজি অনুষ্ঠিত মধ্য মণ্ডলৰ ফাইনেল খেলখনত নৱজ্যোতি ক্লাৱে নগাওঁৰ ত্ৰিনয়ন গোষ্ঠীক ১-০ গলত পৰাস্ত কৰে। মধ্য অসম মণ্ডলৰ ছেম্পিয়ন হোৱাৰ সূত্ৰে নৱজ্যোতিয়ে এক লাখ টকাৰ প্ৰাইজমানি লাভ কৰিছে।

০০০০

ডুবাইত আজি অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফীৰ খেলখনত পাকিস্তানে ভাৰতক জয়ৰ বাবে ২৪২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লোৱা পাকিস্তানে ভাৰতীয় বলাৰৰ নিয়ন্ত্ৰিত বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি ৪৯ অভাৰ ৪ টা বলত ২৪১ ৰাণত আটাইকেইটা উইকেট হেৰুৱায়। পাকিস্তানৰ চাউদ চাকিলে ৬২, মহম্মদ ৰিজৱানে ৪৬ আৰু খুছদিল শ্বাহে ৩৮ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ কুলদীপ যাদৱে তিনিটা, হাৰ্দিক পাণ্ডিয়াই দুটা তথা হৰ্ষিত ৰাণা, অক্ষৰ পেটেল আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট দখল কৰে।

০০০০

মঙলদৈ ক্ৰীড়া সন্থাৰ প্ৰাক্তন খো খো খেলুৱৈ ধৰিত্ৰী বৰাৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৩৩ বছৰ। দীৰ্ঘদিন ধৰি যকৃতকে ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ আছিল। দৰং জিলাৰ মেনাপাৰা নিৱাসী ধৰিত্ৰীয়ে আন্তঃজিলা চাব জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ শাখাত কেইবাবাৰো মঙলদৈ দলক প্ৰতিনিধিত্ব কৰি সুখ্যাতি অৰ্জন কৰিছিল। ধৰিত্ৰীৰ অকাল মৃত্যুত মঙলদৈ ক্ৰীড়া মহলত শোকৰ ছাঁ পৰিছে।

০০০০

বৰপেটাৰ আমবাৰী হাটী নিৱাসী অৱসৰপ্ৰাপ্ত জিলা আৰু সত্ৰ ন্যায়াধীশ ব্ৰজেন্দ্ৰ নাথ দাসৰ আজি বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ  সময়ত তেঁওৰ বয়স আছিল ৮৪ বছৰ। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত দাস সদৌ অসম চৰকাৰী পেঞ্চনাৰ সন্থাৰ উপদেষ্টা আছিল। দাসৰ মৃত্যুত বৰপেটাত শোকৰ ছাঁ পৰে।

০০০০

সমাপ্ত